# অধ্যায়-৭

# ভাৰতত বাণিজ্যিক বেংকৰ বিৱৰ্তন আৰু বিকাশ
# (EVOLUTION AND GROWTH OF COMMERCIAL BANK IN INDIA)

**ভাৰতত বাণিজ্যিক বেংকৰ বিৱৰ্তন আৰু বিকাশ** (Evolution and growth of commercial bank in india) ঃ

ভাৰতৰ বেংকিং উদ্যোগে ইয়াৰ বৰ্তমানৰ অৱস্থাত উপনীত হ'বলৈ এটা দীঘলীয়া যাত্ৰা অতিক্ৰম কৰিছে। ভাৰতীয় বেংকিঙৰ বিৱৰ্তন আৰু বিকাশ তিনিটা ভাগত অধ্যয়ন কৰিব পাৰি—

১। প্ৰাচীন কাল

২। প্ৰাক্-স্বাধীনতা কাল আৰু

৩। স্বাধীনোত্তৰ কাল।

১। **প্ৰাচীন কাল** (Ancient period) **ঃ** ভাৰতীয় বেংকিঙৰ উৎপত্তি অতি প্ৰাচীন কালত।

(ক) **বৈদিক কাল** (Vedic period) **ঃ** প্ৰাচীন হিন্দু শাস্ত্ৰসমূহত বৈদিক যুগত ধন ধাৰে দিয়া কাৰ্য উল্লেখ আছে। ৰামায়ণ আৰু মহাভাৰতৰ যুগত বেংকিং এক সম্পূৰ্ণ কাৰ্যকলাপ হিচাপে পৰিগণিত হৈছিল।

(খ) **স্মৃতি কাল** (Smrity period) **ঃ** স্মৃতি কালছোৱাত বেংকিঙৰ ব্যৱসায় মুখ্যতঃ বৈশ্য

সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা পৰিচালিত হৈছিল। খ্ৰীষ্টাব্দ পূৰ্ব ২০০০ৰ পৰা খ্ৰীষ্টাব্দ পূৰ্ব ১৪০০ৰ সময়খিনিৰ আৰম্ভণিতে ঋণ লোৱা আৰু ঋণ দিয়া কাৰ্যৰ উপযুক্ত প্ৰমাণ পোৱা গৈছে। এই সময়ছোৱাত বেংকবোৰে বৰ্তমানৰ আধুনিক বাণিজ্যিক বেংকবোৰে আজিকালি সম্পাদন কৰা বহুতো কাম— যেনে জমা গ্ৰহণ কৰা, অগ্ৰিম প্ৰদান কৰা, ৰাষ্ট্ৰৰ বেংকাৰ হিচাপে কাম কৰা, ৰাষ্ট্ৰৰ মুদ্ৰা পৰিচালনা কৰা ইত্যাদি কামবোৰ সম্পাদন কৰিছিল।

২। **প্ৰাক্-স্বাধীনতা কাল** (Pre-independence period) ঃ প্ৰাক্-স্বাধীনতা কালত বেংকিং প্ৰতিষ্ঠানবোৰ মুখ্যতঃ ঋণদাতা, খিলঞ্জীয়া বেংক, নিধি, ঋণ কাৰ্যালয় আদিৰে গঠিত আছিল । এই প্ৰতিষ্ঠানবোৰ গ্ৰাম্য আৰু অৰ্ধ-নগৰ অঞ্চলত এতিয়াও কিছু পৰিমাণে জনপ্ৰিয়।

(ক) **দ্য বেংক অফ্ হিন্দুস্থান** (The Bank of Hindustan) ঃ ভাৰতত আধুনিক বেংকিঙৰ উৎপত্তি কেৱল ভাৰতৰ সৈতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাণিজ্যিক সম্পৰ্কৰ আৰম্ভণিৰ পৰাহে অনুসৰণ কৰিব পাৰি। ইংৰাজ ব্যৱসায়ীসকলৰ সম্প্ৰসাৰিত বাণিজ্যিক সম্পৰ্কই অষ্টাদশ শতিকাৰ শেষ চতুৰ্থাংশত ভাৰতত বেংকিং ব্যৱসায় কৰিবলৈ বহুতো এজেন্সী হাউচক বাধ্য কৰিছিল। উদাহৰণস্বৰূপে, "আলেকজেণ্ডাৰ এণ্ড কোম্পানীয়ে (এজেন্সী হাউচসমূহৰ এটা) ১৭৭০ চনত ইয়াৰ প্ৰথম বেংক 'দ্য বেংক অফ্ হিন্দুস্তান' স্থাপন কৰিছিল। কিন্তু, কেন্দ্ৰীয় বেংকিং অনুসন্ধান সমিতিৰ মতে ভাৰতৰ প্ৰথম বেংকটো আছিল ১৬৮৩ চনত স্থাপিত 'দ্য ফাৰ্ষ্ট বেংক অফ্ মাদ্ৰাজ'।

(খ) **প্ৰেচিডেন্সি বেংক** (Presidency Banks) ঃ ভাৰতত প্ৰথম প্ৰেচিডেন্সি বেংক 'বেংক অফ্ বেংগল' কলিকতাত স্থাপনৰ পৰাই ভাৰতত আধুনিক বাণিজ্যিক বেংকৰ আৰম্ভণি হৈছিল। প্ৰকৃততে, 'বেংক অফ্ কলিকতা' ১৮০৬ চনত সীমিত দায়িত্বৰ সৈতে এক যৌথ মূলধনী বেংক হিচাপে প্ৰতিষ্ঠা কৰা হৈছিল, যাক ১৮০৯ চনত ৰাজকীয় চনদৰ (ৰয়েল চাৰ্টাৰ) অধীনলৈ অনা হৈছিল আৰু বেংক অফ্ বেংগল নামেৰে নামাকৰণ কৰা হৈছিল। ১৮৪০ আৰু ১৮৪৩ চনত বোম্বাই আৰু মাদ্ৰাজত ক্ৰমান্বয়ে আন দুটা প্ৰেচিডেঞ্চি বেংক স্থাপন কৰা হৈছিল।

(গ) **যৌথ মূলধনী কোম্পানী আইন, ১৮৫০** (Joint Stock Companies Act, 1850) ঃ ভাৰতত যৌথ মূলধনী কোম্পানী আইন, ১৮৫০ হৈছে দেশৰ প্ৰথম আইন প্ৰণয়ন যিয়ে নিগম খণ্ডক বেংকিং ব্যৱসায় আৰম্ভণি কৰিবলৈ অনুমতি দিছিল। এই আইনখন গৃহীত

হোৱাটোৱে বহুতো বাণিজ্যিক বেংক স্থাপনত যথেষ্ট সহায় কৰিছিল। এই আইনৰ অধীনত স্থাপিত প্ৰথম বেংকটো আছিল ১৮৮১ চনত স্থাপিত 'অউধ কমাৰ্চিয়েল বেংক' আৰু তাৰ পিছত ১৮৮৫ চনত পঞ্জাৱ নেচনেল বেংক আৰু ১৯০১ চনত পিপল্‌ছ বেংক।

(ঘ) **স্বদেশী আন্দোলন, ১৯০৫** (Swadesi Movement) ঃ স্বদেশী আন্দোলনৰ আগমনৰ পিছত বৃহৎ সংখ্যক বেংক স্থাপিত হৈছিল। এই সময়ছোৱাত স্থাপিত হোৱা কেইটামান বেংকৰ ভিতৰত আছে বেংক অফ্ ইণ্ডিয়া, চেণ্ট্ৰেল বেংক অফ্ ইণ্ডিয়া, বেংক অফ্ বৰোদা, পঞ্জাৱ আৰু সিন্ধ্ বেংক, ইণ্ডিয়ান বেংক ইত্যাদি।

(ঙ) **ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া** (Imperial Bank of India) ঃ ১৯২১ চনত, তিনিটা প্ৰেচিডেন্সি বেংক অৰ্থাৎ বেংক অফ্ বেংগল, বেংক অফ্ বোম্বাই আৰু বেংক অফ্ মাদ্ৰাজ একত্ৰিত কৰা হৈছিল আৰু ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আইন, ১৯২০-ৰ অধীনত 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া' নামৰ এটা বেংক গঠন কৰা হৈছিল।

(চ) **ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া** (Reserve Bank of India) ঃ ১৯৩৪ চনৰ ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া আইনৰ অধীনত ১৯৩৫ চনৰ এপ্ৰিলত 'ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া' ভাৰতৰ কেন্দ্ৰীয় বেংক হিচাপে প্ৰতিষ্ঠিত হৈছিল।

৩। **স্বাধীনোত্তৰ কাল** (Post-independence period) ঃ স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতীয় বেংকিং ব্যৱস্থাত ব্যাপক বিকাশ হৈছে। ভাৰতীয় বেংকিং ব্যৱস্থাই কেইবাটাও সংকট অতিক্ৰম কৰিছিল আৰু এইবাবে বিংশ শতিকাৰ প্ৰথমাৰ্ধত ইয়াৰ বিকাশ যথেষ্ট লেহেম আছিল। যেতিয়া ১৯৪৭ চনত ভাৰত স্বাধীন হৈছিল, বেংকিং গাঁথনি অতি দুৰ্বল আছিল। সেই সময়ত মুঠ ৬৪০ টা বেংক আছিল যাৰ ভিতৰত মাত্ৰ ৯৬ টা অনুসূচীত বেংক আছিল। ১৯৪৭ চনৰ পৰা, ভাৰতীয় বেংকিং ব্যৱস্থাই এক প্ৰচণ্ড অগ্ৰগতি লাভ কৰিছিল। ইয়াৰ কাৰণ হৈছে পৰিকল্পিত অৰ্থনৈতিক বিকাশ, ধন যোগান বৃদ্ধি, বেংকিং অভ্যাস বৃদ্ধি, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা ইত্যাদি।

(ক) **ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাষ্ট্ৰীয়কৰণ** (Nationalisation of Reserve Bank of India) ঃ ভাৰতীয় ৰিজাৰ্ভ বেংক (ৰাজহুৱা মালিকীস্বত্বলৈ স্থানান্তৰ) আইন, ১৯৪৮-ৰ অধীনত ১ জানুৱাৰী, ১৯৪৯ তাৰিখে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল।

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাষ্ট্ৰীয়কৰণ স্বাধীনতাৰ পিছৰ সময়ছোৱাত বেংকিং উদ্যোগৰ প্ৰথম আৰু আটাইতকৈ উল্লেখযোগ্য বিকাশ আছিল।

(খ) **বেংকিং কোম্পানী আইন, ১৯৪৯** (The Banking Company Act, 1949) ঃ ভাৰতত বেংকিং ব্যৱসায়ৰ সন্তুলিত বিকাশৰ বাবে বেংকিং কোম্পানী আইন ১৯৪৯ চনত গৃহীত হৈছিল। জমাকৰ্তাসকলৰ স্বাৰ্থৰ সুৰক্ষা প্ৰদান কৰাৰ বাবে আৰু লগতে বাণিজ্যিক বেংকবোৰৰ বিকাশ সুনিশ্চিত কৰাৰ বাবে এই আইনখন গৃহীত কৰা হৈছিল। ১৯৬৬ চনত, আইনখন বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ হিচাপে পুনৰ নামাকৰণ কৰা হৈছিল। ১৯৫০-৫১ চনত, ভাৰতত ৪৩০টা বাণিজ্যিক বেংক আছিল কিন্তু বেংকিং ব্যৱস্থা শক্তিশালী কৰাৰ এক পদক্ষেপ হিচাপে ৰিজাৰ্ভ বেংকে প্ৰয়োগ কৰা একত্ৰীকৰণ নীতিৰ অধীনত ডাঙৰ বেংকৰ সৈতে সৰু বেংকৰ একত্ৰীকৰণৰ বাবে বেংকৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাইছিল।

(গ) **ভাৰতীয় ষ্টেট বেংক গঠন** (Formation of State Bank of India) ঃ ১৯২১ চনত স্থাপিত ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়াক ১৯৫৫ চনত ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু ষ্টেট বেংক অফ্ ইণ্ডিয়া হিচাপে নামাকৰণ কৰা হৈছিল। ১৯৫৯ চনত ভাৰতীয় ষ্টেট বেংকে ইয়াৰ সহায়ক কোম্পানী হিচাপে আঠটা মুখ্য ৰাজ্যিক মালিকানাধীন বেংক অধিগ্ৰহণ কৰিছিল।

(ঘ) **সামাজিক নিয়ন্ত্ৰণ** (Social control) ঃ বেংক ঋণৰ অধিক ন্যায়সঙ্গত আৰু উদ্দেশ্যপূৰ্ণ বিতৰণৰ বাবে চৰকাৰে ১৯৬৮ চনত সামাজিক নিয়ন্ত্ৰণ আঁচনি আৰম্ভ কৰিছিল।

(ঙ) **বাণিজ্যিক বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণ** (Nationlisation of commercial banks) ঃ ১৯৬৯ চনত ১৪ টা মুখ্য বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ পিছত ইয়াৰ এক ডাঙৰ গাঁথনিগত পৰিৱৰ্তন ঘটিছে। ১৯৮০ চনত চৰকাৰে আৰু ৬টা বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰিছিল। ৰাষ্ট্ৰীয়কৰণৰ যোৱা পাঁচটা দশকত, বাণিজ্যিক বেংকবোৰৰ যথেষ্ট বিকাশ হৈছে, বিশেষকৈ কম বেংক থকা গ্ৰাম্য অঞ্চলত শাখা বিস্তাৰৰ ক্ষেত্ৰত।

(চ) **আঞ্চলিক গ্ৰাম্য বেংক স্থাপন** (Establishment of Regional Rural Banks) ঃ ১৯৭৫ চনত গ্ৰাম্য আৰু কৃষি খণ্ডৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব দিবলৈ 'আঞ্চলিক গ্ৰাম্য বেংক' নামেৰে জনাজাত এটা নতুন শ্ৰেণীৰ বেংক স্থাপন কৰা হৈছিল। ১৯৭৫ চনৰ পিছৰ সময়ছোৱাত, কেন্দ্ৰীয় চৰকাৰ, পৃষ্ঠপোষকতা কৰা বাণিজ্যিক বেংক আৰু সংশ্লিষ্ট

ৰাজ্য চৰকাৰৰ দ্বাৰা যুটীয়াভাৱে বৃহৎ সংখ্যক আঞ্চলিক গ্ৰাম্য বেংক স্থাপন কৰা হৈছে।

(ছ) **ব্যক্তিগত খণ্ডৰ বেংকসমূহক অনুজ্ঞাপত্ৰ** (Licenses to Private Sector Banks) ঃ ১৯৬৯ চনত বেংক ৰাষ্ট্ৰীয়কৰণৰ পিছত প্ৰায় দুটা দশকতকৈও অধিক সময় ব্যক্তিগত খণ্ডত কোনো বেংক স্থাপন কৰিবলৈ অনুমতি দিয়া হোৱা নাই। নৰসিংহম সমিতিৰ পৰামৰ্শৰ প্ৰতি লক্ষ্য ৰাখি আৰু অধিক প্ৰতিযোগিতা প্ৰৱৰ্তন কৰা আৰু বেংকিং ব্যৱস্থাৰ লাভজনকতা আৰু দক্ষতা উন্নত কৰাৰ বাবে, ৰিজাৰ্ভ বেংকক উদাৰীকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে ব্যক্তিগত খণ্ডৰ বেংকসমূহক অনুজ্ঞাপত্ৰ জাৰি কৰাৰ ক্ষমতা দিয়া হৈছে।

(জ) **বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান** (Various financial institutions) ঃ বেংকিং খণ্ডত এই উন্নয়নবোৰৰ উপৰিও বিশেষ বিত্তীয় প্ৰয়োজনীয়তা পূৰণৰ বাবে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানও স্থাপন কৰা হৈছিল।

সেইবোৰৰ ভিতৰত আছে— IDBI, ICICI, SIDC, SIDBI, IRBI, NABARD, LDB, EXIM Bank, ECGC, NHB, DFHIL, LICI, GICI, UTI ইত্যাদি। এই সকলোবোৰ প্ৰতিষ্ঠান স্থাপনে ভাৰতীয় বেংকিং ব্যৱস্থা ক এনে এক পৰ্যায়লৈ লৈ আহিছে য'ত ইয়াক বিশ্বৰ যিকোনো স্থানত স্থাপন কৰা সৰ্বশ্ৰেষ্ঠ বেংকিঙৰ সৈতে তুলনা কৰিব পাৰি।

**প্ৰেচিডেন্সি বেংকসমূহ** (PESIDENCY BANKS) **ঃ**

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত আধুনিক বেংকিঙৰ ভেঁটি স্থাপন কৰিছিল। উনবিংশ শতিকাৰ প্ৰথমাৰ্ধত নিম্নলিখিত তিনিটা বেংক স্থাপন কৰা হৈছিল।

(ক) ১৮০৯ চনত বেংক অফ্ বেংগল

(খ) ১৮৪০ চনত বেংক অফ্ বোম্বাই

(গ) ১৮৪৩ চনত বেংক অফ্ মাদ্ৰাজ

এই তিনিটা বেংকক 'প্ৰেচিডেন্সি বেংক' বুলি জনা যায়।

যদিও 'দ্য বেংক অফ্ কলিকতা'য়ে ১৮০৬ চনত বেংকিং ব্যৱসায় আৰম্ভ কৰিছিল, ভাৰত চৰকাৰে ১৮০৯ চনলৈকে বেংকৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল আৰু সেই বছৰতে কেৱল এখন ৰাজকীয়

চনদেৰে (ৰয়েল চাৰ্টাৰ) 'দ্য বেংক অফ্ কলিকতা'ক 'দ্য বেংক অফ্ বেংগল' হিচাপে পুনৰ নিৰ্মাণ কৰিছিল। এইটো বংগ চৰকাৰৰ দ্বাৰা পৃষ্ঠপোষকতা কৰা ব্ৰিটিছ ভাৰতৰ প্ৰথম যৌথ মূলধনী বেংক আছিল। ইয়াক ৫০ লাখ টকাৰ মূলধনেৰে প্ৰতিষ্ঠা কৰা হৈছিল, যাৰ এক-পঞ্চমাংশ চৰকাৰে আগবঢ়াইছিল, যিয়ে ভোটদান আৰু নিৰ্দেশনাৰ বিশেষাধিকাৰ ভাগ বতৰা কৰিছিল। অৱেশ্য ১৮২৩ চনলৈকে মুদ্ৰা নোট জাৰী কৰাৰ ক্ষমতা এই বেংকক দিয়া হোৱা নাছিল। ১৯৩৯ চনত এই বেংকক শাখা খোলাৰ আৰু আভ্যন্তৰীণ বিনিময়ত লেনদেন কৰাৰ ক্ষমতা দিয়া হৈছিল।

১৮৪০ চনৰ এপ্ৰিল আৰু ১৮৪৩ চনৰ জুলাই মাহত 'বেংক অফ্ বোম্বাই' আৰু 'বেংক অফ্ মাদ্ৰাজ' নামৰ আন দুটা প্ৰেচিডেন্সি বেংক গঠন কৰা হৈছিল, যাৰ মূলধন ব্যয় আছিল ক্ৰমান্বয়ে ৫২.২৫ লাখ টকা আৰু ৩০ লাখ টকা। চৰকাৰে এই প্ৰতিটো বেংকত মূলধন হিচাপে ৩ লাখ টকাকৈ মূলধনৰ বৰঙণি আগবঢ়াইছিল।

তিনিটা প্ৰেচিডেন্সি বেংক ৰাজকীয় চনদ (ৰয়েল চাৰ্টাৰ)ৰ দ্বাৰা পৰিচালিত হৈছিল, যাক সময়ে সময়ে সংশোধন কৰা হৈছিল। প্ৰতিটো বেংকৰ কাম-কাজ পৰিচালনা কৰা প্ৰতিখন পৰিচালক মণ্ডলীত ভাৰতত বৃহৎ ইউৰোপীয় পৰিচালনা সংস্থাসমূহক প্ৰতিনিধিত্ব কৰা স্বত্বাধিকাৰী সঞ্চালকৰ সংখ্যা অধিক আছিল। বাকীসকল চৰকাৰী মনোনীত ব্যক্তি আছিল, বেছিভাগেই অসামৰিক কৰ্মচাৰী আছিল। আৰম্ভণিতে তিনিটা প্ৰেচিডেন্সি বেংকৰ বেংকিং ব্যৱসায় বিনিময় বিল বা অন্যান্য হস্তান্তৰযোগ্য দলীল বাট্টাত ভঙাই দিয়া, নগদ হিচাব ৰখা আৰু জমা গ্ৰহণত সীমাবদ্ধ আছিল। ঋণৰ পৰিমাণ এক লাখ টকাত সীমাবদ্ধ আছিল আৰু ঋণৰ ম্যাদ তিনি মাহৰ ভিতৰত সীমাবদ্ধ আছিল। তেওঁলোকক তেওঁলোকৰ নিজৰ অঞ্চলৰ নোট জাৰী কৰাৰ অধিকাৰ দিয়া হৈছিল। এই বেংকবোৰে প্ৰথম বিহীত মুদ্ৰা জাৰী কৰিছিল।

ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আইন, ১৯২০ৰ অধীনত ১৯২১ চনত তিনিটা প্ৰেচিডেন্সি বেংক একত্ৰিত কৰি 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া' প্ৰতিষ্ঠা কৰা হৈছিল।

## ইম্পেৰিয়েল বেংক (IMPERIAL BANK) ঃ

ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আইন, ১৯২০ৰ অধীনত ভাৰতৰ তিনিটা প্ৰেচিডেন্সি বেংক একত্ৰিত কৰি ১৯২১ চনত 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া' প্ৰতিষ্ঠা কৰা হৈছিল। তিনিটা প্ৰেচিডেন্সি বেংক আছিল বেংক অফ্ বেংগল (১৮০৯), বেংক অফ্ বোম্বাই (১৮৪০) আৰু বেংক অফ্ মাদ্ৰাজ (১৮৪৩)।

'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া' মুখ্যতঃ ব্যক্তিগত অংশীদাৰসকলৰ মালিকাধীন এটা বাণিজ্যিক বেংক আছিল। কিন্তু ই একে সময়তে কেন্দ্ৰীয় বেংকৰ কিছুমান কাম সম্পাদন কৰি আছিল, যেনে— চৰকাৰৰ বেংকাৰ, বেংকসমূহৰ বেংক, ৰাষ্ট্ৰীয় পৰিশোধ ভৰন ইত্যাদি। ইয়াক নোট জাৰী কৰাৰ বা বিদেশী ব্যৱসায়ত জড়িত হোৱাৰ ক্ষমতা দিয়া হোৱা নাছিল।

আৰম্ভণিতে, ব্ৰিটিছ চৰকাৰৰ ইম্পেৰিয়েল বেংকক এক সম্পূৰ্ণ কেন্দ্ৰীয় বেংকলৈ ৰূপান্তৰ কৰাৰ অভিপ্ৰায় আছিল। কিন্তু ১৯৩৫ চনত ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপনৰ বাবে ইম্পেৰিয়েল বেংক কেৱল এক সুবিধাপ্ৰাপ্ত বাণিজ্যিক বেংক হিচাপে থাকিল।

স্বাধীনতাৰ পিছত 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া'ৰ ৰাষ্ট্ৰীয়কৰণৰ দাবী উত্থাপন কৰা হৈছিল। ১৯৪৮ চনৰ ফেব্ৰুৱাৰী মাহত যদিও ৰাষ্ট্ৰীয় চৰকাৰে নীতিগতভাৱে এনে কৰিবলৈ সন্মত হৈছিল, তথাপিও ই এই দিশত কোনো ইতিবাচক পদক্ষেপ লোৱা নাছিল।

সৰ্বভাৰতীয় গ্ৰাম্য ঋণ জৰীপ সমিতিয়ে ইয়াৰ প্ৰতিবেদনত (১৯৫৪) আকৌ এবাৰ ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ বিষয়টো উত্থাপন কৰিছিল। সমিতিয়ে পৰামৰ্শ দিছিল যে এক বিধিবদ্ধ ব্যৱস্থাৰ দ্বাৰা গ্ৰাম্য অঞ্চলত বেংকিং সুবিধা সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্যৰে ইম্পেৰিয়েল বেংকক ভাৰতীয় ষ্টেট বেংকলৈ ৰূপান্তৰ কৰিব লাগে। সমিতিৰ পৰামৰ্শ গ্ৰহণ কৰি ভাৰত চৰকাৰে ষ্টেট বেংক অফ্ ইণ্ডিয়া আইন, ১৯৫৫ প্ৰণয়ন কৰে।

ফলস্বৰূপে, ১৯৫৫ চনৰ ১ জুলাইত ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আৰু আন দহটা বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হয় আৰু 'ভাৰতীয় ষ্টেট বেংক' হিচাপে পুনৰ নামাকৰণ কৰা হয়। ১৯৫৫ চনৰ ১ জুলাইক ভাৰতত বাণিজ্যিক বেংকৰ ইতিহাসত 'উল্লেখযোগ্য দিন' (Red Letter Day) আৰু ৰাষ্ট্ৰৰ মালিকীস্বত্বৰ এক নতুন অধ্যায় হিচাপে গণ্য কৰা হয়।

**ইম্পেৰিয়েল বেংকৰ কাৰ্যসমূহ** (Functions of Imperial Bank) ঃ

ইম্পেৰিয়েল বেংকে বাণিজ্যিক বেংকিং আৰু কেন্দ্ৰীয় বেংকিং দুয়োটা কাৰ্য সম্পাদন কৰিছিল—

(ক) **বাণিজ্যিক বেংকিং কাৰ্যসমূহ** (Commercial banking functions) ঃ

১) বিভিন্ন ধৰণৰ জমা গ্ৰহণ কৰা আৰু প্ৰতিভূতিৰ বিপৰীতে অগ্ৰিম প্ৰদান কৰা।

২) সুৰক্ষিত জিম্মাৰ বাবে মূল্যৱান সামগ্ৰী গ্ৰহণ কৰা।

৩) এঠাইৰ পৰা আন ঠাইলৈ পুঁজি প্ৰেৰণ।

৪) গিল্ট-ধাৰী (Gilt-edged) প্ৰতিভূতিত পুঁজি বিনিয়োগ কৰা।

৫) বিনিময় বিল গ্ৰহণ কৰা।

(খ) **কেন্দ্ৰীয় বেংকিং কাৰ্যসমূহ** (Central banking functions) ঃ

১) **চৰকাৰৰ বেংকাৰ হিচাপে—**

(ক) চৰকাৰৰ প্ৰাপ্য গ্ৰহণ কৰা আৰু চৰকাৰৰ হৈ বিতৰণ কৰা।

(খ) চৰকাৰী ঋণ জাৰী আৰু চৰকাৰৰ বাবে পুঁজি গ্ৰহণ কৰা।

(গ) ৰাজহুৱা ঋণ পৰিচালনা কৰা।

(ঘ) চৰকাৰী পুঁজিৰ ৰক্ষক হিচাপে কাম কৰা।

২) **বেংকৰ বেংক হিচাপে—**

(ক) বাণিজ্যিক বেংকৰ পুঁজি/উদ্বৃত জমা ৰখা।

(খ) বাণিজ্যিক বেংক আৰু ৰাইজক পুঁজি প্ৰেৰণৰ সুবিধা প্ৰদান কৰা।

(গ) পৰিশোধ ভৰনবোৰ ৰক্ষণাবেক্ষণ কৰা।

(ঘ) মুদ্ৰা বজাৰত এক অনন্য স্থিতি বৰ্তাই ৰখা।

১৯৩৫ চনত ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপনে ইম্পেৰিয়েল বেংকৰ স্থিতি আৰু কাম-কাজৰ পৰিৱৰ্তন আনিছিল। ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপনৰ পাছত 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া'ই চৰকাৰৰ বেংকাৰ হিচাপে কাম কৰা বন্ধ কৰিছিল। 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া'ৰ কিছুমান বাণিজ্যিক বেংকিং কাৰ্যৰ ওপৰত থকা নিষেধাজ্ঞা আঁতৰ কৰা হৈছিল। ইয়াক কেৱল ৰিজাৰ্ভ বেংকৰ প্ৰতিনিধি হিচাপে নিযুক্ত কৰা হৈছিল আৰু য'ত ৰিজাৰ্ভ বেংকৰ নিজা কোনো কাৰ্যালয় নাছিল, তাত চৰকাৰী বেংকিং ব্যৱসায় কৰিবলৈ কৰ্তৃত্ব দিয়া হৈছিল। সেই অনুসৰি, ইম্পেৰিয়েল বেংকক চৰকাৰৰ বাবে ৰিজাৰ্ভ বেংকৰ হৈ ধন পৰিশোধ, গ্ৰহণ আৰু প্ৰেৰণ কৰাৰ অনুমতি দিয়া হৈছিল। সেয়েহে ই বেংকিং খণ্ডত এক বিশেষ নীতি বৰ্তাই ৰাখিছিল।

**ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া/ভাৰতীয় ষ্টেট বেংকৰ ৰাষ্ট্ৰীয়কৰণ** (Nationalisation of Imperial Bank of India / State Bank of India) ঃ

ইম্পেৰিয়েল বেংক মুখ্যতঃ অ-ভাৰতীয়সকলৰ হাতত আছিল যিয়ে নিযুক্তি, পৰিশোধ, ঋণৰ সুবিধা আদিত ভাৰতীয়সকলৰ সৈতে বৈষম্যমূলক আচৰণ কৰিছিল। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ পিছৰে পৰা ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ প্ৰস্তাৱসমূহ বিবেচনাধীন আছিল। ১৯৪৮ চনত চৰকাৰে ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ নীতি গ্ৰহণ কৰে, অৱশ্যে ইয়াক ১৯৪৯ চনত অনিৰ্দিষ্ট কাললৈ পিছুৱাই দিয়া হয়। সৰ্বভাৰতীয় গ্ৰাম্য ঋণ জৰীপ সমিতিয়ে পৰামৰ্শ দিছিল যে চৰকাৰে এক শক্তিশালী চৰকাৰী মালিকানাধীন বাণিজ্যিক বেংক স্থাপন কৰিব লাগে, যি গ্ৰাম্য অঞ্চলত বেংকিং সুবিধাৰ দ্ৰুত সম্প্ৰসাৰণ কৰিব। এই উদ্দেশ্যৰ বাবে ই চৰকাৰক আন দহটা ৰাজ্যিক সহযোগী বেংকৰ সৈতে ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ পৰামৰ্শ দিছিল। সৰ্বভাৰতীয় গ্ৰাম্য ঋণ জৰীপ সমিতিৰ পৰামৰ্শ অনুসৰি ইম্পেৰিয়েল বেংকক ১৯৫৫ চনত ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু ভাৰতীয় ষ্টেট বেংক হিচাপে পুনৰ নামকৰণ কৰা হৈছিল।

**ইম্পেৰিয়েল বেংকক ৰাষ্ট্ৰীয়কৰণ কৰাৰ মূল কাৰণসমূহ তলত উল্লেখ কৰা হ'ল—**

১। **ইতিমধ্যে অৰ্ধ-চৰকাৰী বেংক হিচাপে কাম কৰি আছে** (Already functioning as semi-government bank) ঃ ইম্পেৰিয়েল বেংকে কেইবাটাও বিশেষাধিকাৰ উপভোগ কৰিছিল আৰু অৰ্ধ-চৰকাৰী বেংক হিচাপে কাম কৰি আছিল। ইয়াক সংসদৰ এক পৃথক আইন 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আইন'ৰ অধীনত প্ৰতিষ্ঠা কৰা হৈছিল। ই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিনিধি হিচাপে কাম কৰিছিল য'ত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ শাখা নাছিল। সেয়েহে ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰাটো অধিক উপযুক্ত বুলি বিবেচনা কৰা হৈছিল।

২। **চৰকাৰলৈ লাভ স্থানান্তৰ** (Transfer of profits to the government) ঃ ইম্পেৰিয়েল বেংকে ইয়াৰ ওপৰত জনসাধাৰণৰ আস্থাৰ বাবে আৰু চৰকাৰৰ সৈতে ইয়াৰ সম্পৰ্কৰ বাবে বৃহৎ লাভ অৰ্জন কৰিছিল। চৰকাৰে বিবেচনা কৰিছিল যে চৰকাৰী পুঁজিৰ পৰা উদ্ভৱ হোৱা লাভ চৰকাৰী হিচাবলৈ স্থানান্তৰ কৰাটো প্ৰয়োজনীয়।

৩। **কৃষি আৰু গ্ৰাম্য উন্নয়নৰ প্ৰসাৰ** (Promotion of agriculture and rural devel-

opment) ঃ কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে গ্ৰাম্য অঞ্চললৈ ঋণৰ সুবিধা প্ৰদান কৰাৰ প্ৰয়োজন আছিল। সকলো ক্ষেত্ৰতে কৃষিৰ প্ৰসাৰৰ বাবে চৰকাৰে বিবেচনা কৰিছিল যে ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰাটো প্ৰয়োজনীয়।

৪। **চৰকাৰৰ মুদ্ৰানীতি ৰূপায়ণ** (Implementation of the monetary policy of the government) ঃ চৰকাৰক ইয়াৰ মুদ্ৰা নীতি আৰু পাঁচ বছৰীয়া পৰিকল্পনা ৰূপায়ণৰ বাবে শক্তিশালী বাণিজ্যিক আধাৰৰ প্ৰয়োজন। এইটোও ইম্পেৰিয়েল বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ মূল কাৰণ আছিল।

## **ভাৰতীয় ষ্টেট বেংক** (STATE BANK OF INDIA) ঃ

ভাৰতীয় ষ্টেট বেংক হৈছে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দৰে এক বিধিবদ্ধ প্ৰতিষ্ঠান আৰু ভাৰতীয় ষ্টেট বেংক আইন, ১৯৫৫-ৰ দ্বাৰা পৰিচালিত। ১৯৫৫ চনৰ ভাৰতীয় ষ্টেট বেংক আইনৰ অধীনত গ্ৰাম্য আৰু অৰ্ধ নগৰ অঞ্চলত বেংকিং সেৱাৰ সম্প্ৰসাৰণৰ সুবিধা প্ৰদান কৰাৰ মুখ্য উদ্দেশ্যৰে ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়াৰ সম্পত্তি আৰু দেনা অধিগ্ৰহণ কৰি ১৯৫৫ চনৰ ১ জুলাইত ভাৰতীয় ষ্টেট বেংক গঠন কৰা হৈছিল।

ভাৰতীয় ষ্টেট বেংকে ইয়াৰ সহায়ক বেংকবোৰৰ সৈতে একেলগে ('ষ্টেট বেংক গ্ৰুপ' বুলি জনাজাত) শাখাৰ সংখ্যা, সম্পদ আৰু মানৰ সম্পদৰ ক্ষেত্ৰত ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক বেংক। ইয়াৰ শাখাৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি সমগ্ৰ বিশ্বত ইয়াৰ একে প্ৰকাৰৰ বেংকৰ ভিতৰত ভাৰতীয় ষ্টেট বেংকৰ কাৰ্যালয়ৰ সংখ্যা সৰ্বাধিক। ই হৈছে একমাত্ৰ ভাৰতীয় বেংক, যিয়ে সম্পত্তিৰ ক্ষেত্ৰত বিশ্বৰ এশটা ডাঙৰ বেংকৰ ভিতৰত স্থান পাইছে।

## **ভাৰতীয় ষ্টেট বেংকৰ সহযোগী বেংক** (Associate Banks or Subsidiary Banks of State Bank of India) ঃ

১৯৫৯ চনৰ ভাৰতীয় ষ্টেট বেংক (সহযোগী বেংক) আইনৰ অধীনত আঠখন ৰাজশাসিত ৰাজ্যৰ আঠটা সহযোগী বেংকক ভাৰতীয় ষ্টেট বেংকে অধিগ্ৰহণ কৰিছিল। ভাৰতীয় ষ্টেট বেংকৰ সহযোগী বা সহায়ক বেংকবোৰ আছিল—

১। ষ্টেট বেংক অফ্ বিকানেৰ*

২। ষ্টেট বেংক অফ্ হায়দৰাবাদ।

৩। ষ্টেট বেংক অফ্ ইন্দোৰ।

৪। ষ্টেট বেংক অফ্ জয়পুৰ*

৫। ষ্টেট বেংক অফ্ মহীশুৰ।

৬। ষ্টেট বেংক অফ্ পাটিয়ালা।

৭। ষ্টেট বেংক অফ্ সৌৰাষ্ট্ৰ।

৮। ষ্টেট বেংক অফ্ ট্ৰেভাঙ্কৰ

(* ১৯৬৪ চনত এই বেংক দুটা 'ষ্টেট বেংক অফ্ বিকানেৰ আৰু জয়পুৰ' হিচাপে একত্ৰিকৰণ কৰা হৈছিল।)

বৰ্তমান ভাৰতীয় ষ্টেট বেংকৰ কোনো সহযোগী বা সহায়ক বেংক নাই কিয়নো ওপৰোক্ত সকলো সহযোগী বা সহায়ক বেংক ভাৰতীয় ষ্টেট বেংকৰ সৈতে একত্ৰিত কৰা হৈছে।

**ভাৰতীয় ষ্টেট বেংকৰ কাৰ্যকলাপ** (Functions of State Bank of India) ঃ

ভাৰতীয় ষ্টেট বেংকৰ কামবোৰ দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে— কেন্দ্ৰীয় বেংকিং কাৰ্য আৰু সাধাৰণ বেংকিং কাৰ্য।

**কেন্দ্ৰীয় বেঙ্কিং কাৰ্য** (Central banking functions) ঃ ভাৰতীয় ষ্টেট বেংকে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কোনো শাখা নথকা স্থানত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিনিধি হিচাপে কাম কৰে। সেই অনুসৰি ই নিম্নলিখিত কাৰ্যবোৰ সম্পাদন কৰে—

১। চৰকাৰৰ বেংকাৰ হিচাপে (Banker to the government) ঃ ভাৰতীয় ষ্টেট বেংকে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বেংকাৰ হিচাপে কাম কৰে। ই চৰকাৰৰ হৈ ধন গ্ৰহণ কৰে আৰু পৰিশোধ কৰে। ই এই সন্দৰ্ভত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিৰ্দেশনা অনুসৰি নিম্নলিখিত কাৰ্যবোৰ সম্পাদন কৰে—

(ক) চৰকাৰৰ হৈ মাচুল সংগ্ৰহ, যেনে— কৰ সংগ্ৰহ আৰু অন্যান্য পৰিশোধ।

(খ) চৰকাৰক ঋণ আৰু অগ্ৰিম প্ৰদান কৰে।

(গ) অৰ্থনৈতিক পৰিস্থিতি আদি সম্পৰ্কে চৰকাৰক পৰামৰ্শ দিয়ে।

২। বেংকৰ বেংক হিচাপে (Bankers' bank) ঃ সাধাৰণতে সকলো বাণিজ্যিক বেংকৰ ভাৰতীয় ষ্টেট বেংকৰ সৈতে হিচাব থাকে। যেতিয়া আন বাণিজ্যিক বেংকবোৰে বিত্তীয় অভাৱৰ সন্মুখীন হয়, ভাৰতীয় ষ্টেট বেংকে তেওঁলোকক সাহাৰ্য প্ৰদান কৰে। কাৰণ ইয়াক বেংকিং উদ্যোগত এজন ডাঙৰ ভাতৃ বুলি গণ্য কৰা হয়। ই আন বাণিজ্যিক বেংকৰ বিল বাট্টাত ভঙাই দিয়ে। এই দিশত কাম কৰাৰ বাবে ভাৰতীয় ষ্টেট বেংকক বেংকসমূহৰ বেংক হিচাপে সীমিত অৰ্থত বিবেচনা কৰা হয়।

৩। মুদ্ৰাৰ চন্দুক/কোষ (Currency chest) ঃ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিজৰ কাৰ্যালয়ত মুদ্ৰাৰ চন্দুক/কোষ থাকে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কাৰ্যালয়সমূহ কেৱল ডাঙৰ চহৰত অৱস্থিত। ভাৰতীয় ষ্টেট বেংকে ইয়াৰ বৃহৎ সংখ্যক শাখাৰ দ্বাৰা চহৰৰ লগতে গ্ৰাম্য এলেকাত কাম কৰে। সেয়েহে ভাৰতীয় ৰিজাৰ্ভ বেংকে এনে স্থানত ভাৰতীয় ষ্টেট বেংকৰ মুদ্ৰাৰ চন্দুকত/কোষত মুদ্ৰা জমা ৰাখে। যেতিয়াই প্ৰয়োজন হয়, সঠিক হিচাব আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকক দিয়া প্ৰতিবেদন অনুসৰি এই চন্দুকবোৰৰ/কোষবোৰৰ পৰা মুদ্ৰা আহৰণ কৰা হয়।

৪। পৰিশোধ ভৱন হিচাপে (Acts as Clearing House) ঃ যি ঠাইত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কোনো শাখা নাই, সেইবিলাক ঠাইত ভাৰতীয় ষ্টেট বেংকে পৰিশোধ ভৱনৰ কামবোৰ সম্পাদন কৰে। সেয়েহে ই আন্তঃবেংক নিষ্পত্তিৰ সুবিধা প্ৰদান কৰে। এনে স্থানৰ সকলো বেংকৰ ভাৰতীয় ষ্টেট বেংকৰ সৈতে হিচাব থাকে বাবে ভাৰতীয় ষ্টেট বেংকৰ বাবে পৰিশোধ ভৱন হিচাপে কাম কৰাটো সহজ হৈ পৰে।

৫। প্ৰৱৰ্তনমূলক কাৰ্য সম্পাদন (Renders promotional functions) ঃ ভাৰতীয় ষ্টেট বেংকে বিভিন্ন প্ৰৱৰ্তনমূলক কাৰ্যও সম্পাদন কৰে। ই নিম্নলিখিত অগ্ৰাধিকাৰ খণ্ডবোৰক বিভিন্ন সুবিধা প্ৰদান কৰে—

(ক) কৃষি

(খ) ক্ষুদ্ৰ স্তৰৰ উদ্যোগ

(গ) সমাজৰ দুৰ্বল শ্ৰেণী

(ঘ) সমবায় খণ্ড

(ঙ) ক্ষুদ্ৰ ব্যৱসায়ী

(চ) নিবনুৱা যুৱক ইত্যাদি।

**সাধাৰণ বেংকিং কাৰ্যসমূহ** (General banking functions) ঃ ভাৰতীয় ষ্টেট বেংক আইনৰ ধাৰা ৩৩ৰ অধীনত ভাৰতীয় ষ্টেট বেংকে নিম্নলিখিত সাধাৰণ বেংকিং কাৰ্যবোৰ সম্পাদন কৰে—

১। চলিত, সঞ্চয়, স্থায়ী আৰু অন্যান্য জমা হিচাবৰ অধীনত ৰাইজৰ পৰা জমা গ্ৰহণ কৰা।

২। ষ্টক, প্ৰতিভূতি আদিৰ সুৰক্ষাৰ ওপৰত ধন আগবঢ়োৱা আৰু ঋণ দিয়া।

৩। বিনিময় বিল আৰু অন্যান্য হস্তান্তৰযোগ্য দলীলৰ প্ৰস্তুত, গ্ৰহণ, বাট্টাকৰণ, ক্ৰয় আৰু বিক্ৰী।

৪। নিৰ্দিষ্ট প্ৰকাৰৰ প্ৰতিভূতিত পুঁজি বিনিয়োগ কৰা।

৫। ঋণপত্ৰ জাৰী কৰা আৰু প্ৰচলন কৰা।

৬। প্ৰশাসক, মৃতকৰ উইলৰ সম্পত্তি তদাৰক কৰোতা (Executor), ন্যাসৰক্ষী (Trustee) বা অন্য প্ৰকাৰে কাম কৰা।

৭। পাওনা নিষ্পত্তিৰ ফলত বেংকৰ হাতলৈ অহা স্থাৱৰ বা অস্থাৱৰ সম্পত্তি বিক্ৰী আৰু আদায় কৰা।

৮। সোণ আৰু ৰূপ ক্ৰয় আৰু বিক্ৰী।

৯। সদাগৰী (Merchant) বেংকিং সুবিধা প্ৰদান কৰে।

১০। লীজ বিত্ত (লীজিং ফাইনেন্স) আৰু প্ৰকল্প বিত্তৰ সুবিধা আদি প্ৰদান কৰে।

## অনুসূচীত আৰু অনা-অনুসূচীত বেংক
## (SCHEDULED AND NON-SCHEDULED BANKS) ঃ

**অনুসূচীত বেংক** (Scheduled Banks) ঃ

যিবোৰ বাণিজ্যিক বেংক ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ৰ দ্বিতীয় অনুসূচীত অন্তৰ্ভুক্ত হয়, সেই বেংকবোৰক অনুসূচীত বেংক বুলি কোৱা হয়। যিবিলাক বেংকে নিম্নলিখিত চৰ্তবোৰ পূৰণ কৰে, কেৱল সেই বেংকবোৰকহে দ্বিতীয় অনুসূচীত অন্তৰ্ভুক্ত কৰা হয়।

(ক) যিবোৰ বেংকৰ আদায়ীকৃত মূলধন আৰু সঞ্চিত পুঁজি ৫ লাখ টকাৰ কম নহয়, আৰু

(খ) যিবোৰ বেংকৰ কাম-কাজ জমাকৰ্তাসকলৰ ক্ষতিকাৰক স্বাৰ্থৰ বাবে পৰিচালিত নহয়।

যেতিয়া এটা বেংকে ওপৰোক্ত চৰ্তবোৰ পালন নকৰে, তেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংক এটাক অনুসূচী বৰ্হিভূত কৰিব পাৰে।

**অনা-অনুসূচীত বেংক** (Non-Scheduled Bank) ঃ

যিবোৰ বাণিজ্যিক বেংক ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪-ৰ দ্বিতীয় অনুসূচীত অন্তৰ্ভুক্ত নহয়, সেই বেংকবোৰক অনা-অনুসূচীত বেংক বুলি কোৱা হয়। এই বেংকবোৰৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা পুনৰ বিত্ত আৰু বিল পুনৰ বাট্টাত ভঙোৱা আদিৰ দৰে সুবিধাসমূহ গ্ৰহণ কৰাৰ অধিকাৰ নাই। এই বেংকবোৰে অনুসূচীভুক্ত বেংকৰ দৰে সন্মান নাপায়। এই বেংকবোৰে মুখ্যতঃ ধন ধাৰে দিয়া, বিল বাট্টাত ভঙাই দিয়া আৰু সংগ্ৰহ কৰা আৰু বিভিন্ন প্ৰতিনিধিত্বমূলক সেৱাত নিয়োজিত হৈ আহিছে। এই বেংকবোৰে ঋণৰ বাবে উচ্চ হাৰৰ জামিনৰ ওপৰত জোৰ দিয়ে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বৰ্তমান অনা-অনুসূচীত বেংক খোলাত উদ্‌গনি নিদিয়ে।

## ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংকসমূহ
## (PRIVATE AND PUBLIC SECTOR BANKS) ঃ

মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণৰ দিশৰ পৰা দুই প্ৰকাৰৰ বাণিজ্যিক বেংক আছে। সেইবোৰ হৈছে—

**ব্যক্তিগত খণ্ডৰ বেংকসমূহ** (Private Sector Banks) ঃ

ব্যক্তিগত প্ৰচেষ্টাৰ দ্বাৰা অৰ্থাৎ ব্যক্তি আৰু কোম্পানীৰ দ্বাৰা মালিকানাধীন, পৰিচালিত আৰু নিয়ন্ত্ৰণ কৰা বেংকবোৰ ব্যক্তিগত খণ্ডৰ বেংক বা ব্যক্তিগত বেংক বুলি জনা যায়। এই বেংকবোৰ অনুসূচীত বা অনা-অনুসূচীত বেংক হ'ব পাৰে। ভাৰতত HDFC Bank, Axis Bank, ICICI Bank, IDBI Bank আদি হৈছে ব্যক্তিগত খণ্ডৰ বেংকৰ উদাহৰণ। যদিও এই বেংকবোৰ ব্যক্তিগত মালিকীস্বত্বৰ দ্বাৰা প্ৰতিষ্ঠিত, কিন্তু সেইবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰা হয়। ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ দৰে এই বেংকবোৰেও দেশৰ অৰ্থনৈতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**ৰাজহুৱা খণ্ডৰ বেংকসমূহ** (Public Sector Banks) ঃ

চৰকাৰৰ দ্বাৰা মালিকানাধীন, পৰিচালিত আৰু নিয়ন্ত্ৰিত বেংকবোৰক ৰাজহুৱা খণ্ডৰ বেংক বা ৰাজহুৱা বেংক বুলি জনা যায়। ভাৰতত সকলো ৰাজহুৱা খণ্ডৰ বেংক হৈছে অনুসূচীত বেংক। ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ উদাহৰণ হৈছে ভাৰতীয় ষ্টেট বেংক, ইউনিয়ন বেংক অফ্ ইণ্ডিয়া, চেণ্ট্ৰেল বেংক অফ্ ইণ্ডিয়া, দেনা বেংক ইত্যাদি। যদিও ৰাজহুৱা খণ্ডৰ বেংকবোৰে স্বতন্ত্ৰ গোট হিচাপে কাম কৰে, তথাপিও তেওঁলোকৰ ঋণ নীতি ৰাষ্ট্ৰীয় পৰিকল্পনা, ৰাষ্ট্ৰীয় নীতি আৰু অগ্ৰাধিকাৰ অনুসৰি চৰকাৰে প্ৰস্তুত কৰে। এই বেংকবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। ব্যক্তিগত খণ্ডৰ বেংকৰ তুলনাত দেশৰ অৰ্থনৈতিক বিকাশত ৰাজহুৱা খণ্ডৰ বেংকবিলাকে অধিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সকলো ৰাজহুৱা খণ্ডৰ বেংক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা পুনৰ বিত্তৰ সুবিধাৰ অধিকাৰী। এই বেংকবিলাকে জনসাধাৰণৰ অধিক আস্থা অৰ্জন কৰে।

——

### অনুসূচীত আৰু অনা-অনুসূচীত বেংকৰ মাজত পাৰ্থক্য
(Differences between Scheduled and Non-Scheduled Banks)

| আধাৰ | অনুসূচীত বেংক | অনা-অনুসূচীত বেংক |
|---|---|---|
| ১। মূলধন আৰু সঞ্চিত পুঁজি | মুঠ আদায়ীকৃত মূলধন আৰু সঞ্চিত পুঁজি ৫ লাখ টকাৰ কম হ'ব নোৱাৰে। | মুঠ আদায়ীকৃত মূলধন আৰু সঞ্চিত পুঁজি ৫ লাখ টকাৰ কম হ'ব পাৰে। |
| ২। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণ | ইয়াক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুসূচী 'এ'ত তালিকাভুক্ত কৰা হৈছে আৰু ইয়াৰ ওপৰত ৰিজাৰ্ভ বেংকৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ আছে। | ইয়াক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অনুসূচী 'বি'ত তালিকাভুক্ত কৰা হৈছে আৰু ইয়াৰ ওপৰত ৰিজাৰ্ভ বেংকৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাই। |
| ৩। নগদ জমা | ই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত মুঠ নগদ জমাৰ এক নিৰ্ধাৰিত শতাংশত জমা ৰাখিব লাগিব। | ই ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত কোনো নগদ জমা ৰখাৰ প্ৰয়োজন নাই। |
| ৪। জনসাধাৰণৰ আস্থা | ই জনসাধাৰণৰ অধিক আস্থা অৰ্জন কৰে। | ই অনুসূচীত বেংকৰ তুলনাত জনসাধাৰণৰ কম আস্থা অৰ্জন কৰে। |
| ৫। পুনৰ বিত্তৰ সুবিধাসমূহ | সকলো অনুসূচীত বেংক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা পুনৰ বিত্তৰ সুবিধাৰ অধিকাৰী। | অনা-অনুসূচীত বেংকবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা পুনৰ বিত্তৰ সুবিধাৰ অধিকাৰী নহয়। |
| ৬। প্ৰতিবেদন | ই ইয়াৰ সাপ্তাহিক কাৰ্যকলাপৰ প্ৰতিবেদন ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত দাখিল কৰিব লাগিব। | ই ইয়াৰ সাপ্তাহিক কাৰ্যকলাপৰ প্ৰতিবেদন ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত দাখিল কৰাৰ প্ৰয়োজন নাই। |

**ব্যক্তিগত খণ্ডৰ বেংক আৰু ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ মাজত পাৰ্থক্য**
(Differences between Private Sector and Public Sector Banks)

| আধাৰ | ব্যক্তিগত খণ্ডৰ বেংক | ৰাজহুৱা খণ্ডৰ বেংক |
|---|---|---|
| ১। অৰ্থ | ব্যক্তিগত উদ্যোগৰ দ্বাৰা অৰ্থাৎ ব্যক্তি আৰু কোম্পানীৰ দ্বাৰা মালিকানাধীন, পৰিচালিত আৰু নিয়ন্ত্ৰণ কৰা বেংকবোৰ ব্যক্তিগত খণ্ডৰ বেংক বুলি জনা যায়। | চৰকাৰৰ দ্বাৰা মালিকানাধীন, পৰিচালিত আৰু নিয়ন্ত্ৰিত বেংকবোৰক ৰাজহুৱা খণ্ডৰ বেংক বুলি জনা যায়। |
| ২। উদাহৰণ | এইচ.ডি.এফ.চি. বেংক, এক্সিচ বেংক, আই.চি.আই.চি.আই. বেংক, আই.ডি.বি.আই. বেংক, ইয়েছ বেংক ইত্যাদি হৈছে ব্যক্তিগত খণ্ডৰ বেংকবোৰৰ উদাহৰণ। | ভাৰতীয় ষ্টেট বেংক, ইউনিয়ন বেংক অফ্ ইণ্ডিয়া, চেণ্ট্ৰেল বেংক অফ্ ইণ্ডিয়া, বেংক অফ্ বৰোদা, পঞ্জাৱ আৰু সিন্ধ্ বেংক ইত্যাদি হৈছে ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ উদাহৰণ। |
| ৩। স্থিতি | ব্যক্তিগত খণ্ডৰ বেংকবোৰ অনুসূচীত বা অনা-অনুসূচীত বেংক হ'ব পাৰে। | সকলো ৰাজহুৱা খণ্ডৰ বেংক অনুসূচীত বেংক। |
| ৪। জনসাধাৰণৰ আস্থা | ই ৰাজহুৱা খণ্ডৰ বেংকৰ তুলনাত জনসাধাৰণৰ কম আস্থা অৰ্জন কৰে। | ই জনসাধাৰণৰ অধিক আস্থা অৰ্জন কৰে। |
| ৫। পুনৰ বিত্তৰ সুবিধা | অনা-অনুসূচীত ব্যক্তিগত খণ্ডৰ বেংকবোৰ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা পুনৰ বিত্তৰ সুবিধাৰ অধিকাৰী নহয়। | সকলো ৰাজহুৱা খণ্ডৰ বেংকে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা পুনৰ বিত্তৰ সুবিধা পোৱাৰ অধিকাৰ আছে। |

## সাৰাংশ

- **ভাৰতত বাণিজ্যিক বেংকৰ বিৱৰ্তন আৰু বিকাশ ঃ**

ভাৰতৰ বেংকিং উদ্যোগে ইয়াৰ বৰ্তমানৰ অৱস্থাত উপনীত হ'বলৈ এটা দীঘলীয়া যাত্ৰা অতিক্ৰম কৰিছে। ভাৰতীয় বেংকিংৰ বিৱৰ্তন আৰু বিকাশ তিনিটা ভাগত অধ্যয়ন কৰিব পাৰি।

১। **প্ৰাচীন কাল** ঃ ভাৰতীয় বেংকিংৰ উৎপত্তি অতি প্ৰাচীন কালত।

(ক) **বৈদিক কাল** ঃ প্ৰাচীন হিন্দু শাস্ত্ৰসমূহত বৈদিক যুগত ধন ধাৰে দিয়া কাৰ্য উল্লেখ আছে। ৰামায়ণ আৰু মহাভাৰতৰ যুগত, বেংকিং এক সম্পূৰ্ণ কাৰ্যকলাপ হিচাপে পৰিগণিত হৈছিল।

(খ) **স্মৃতি কাল** ঃ স্মৃতি কালছোৱাত বেংকিং ব্যৱসায় মুখ্যতঃ বৈশ্য সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা পৰিচালিত হৈছিল।

২। **প্ৰাক্-স্বাধীনতা কাল** ঃ প্ৰাক্-স্বাধীনতা কালত বেংকিং প্ৰতিষ্ঠানবোৰ মুখ্যতঃ ঋণদাতা, খিলঞ্জীয়া বেংক, নিধি, ঋণ কাৰ্যালয় আদিৰে গঠিত আছিল।

(ক) **দ্য বেংক অফ্ হিন্দুস্থান** ঃ ইংৰাজ ব্যৱসায়ীসকলৰ সম্প্ৰসাৰিত বাণিজ্যিক সম্পৰ্কই অষ্টাদশ শতিকাৰ শেষ চতুৰ্থাংশত ভাৰতত বেংকিং ব্যৱসায় কৰিবলৈ বহুতো এজেন্সী হাউচক বাধ্য কৰিছিল। উদাহৰণস্বৰূপে, 'আলেকজেণ্ডাৰ এণ্ড কোম্পানী'য়ে (এজেন্সী হাউচসমূহৰ এটা) ১৭৭০ চনত ইয়াৰ প্ৰথম বেংক 'দ্য বেংক অফ্ হিন্দুস্তান' স্থাপন কৰিছিল।

(খ) **প্ৰেচিডেন্সি বেংক** ঃ ভাৰতত প্ৰথম প্ৰেচিডেন্সি বেংক 'বেংক অফ্ বেংগল' কলিকতাত স্থাপনৰ পৰাই ভাৰতত আধুনিক বাণিজ্যিক বেংকৰ আৰম্ভণি হৈছিল। ১৮৪০ আৰু ১৮৪৩ চনত বোম্বাই আৰু মাদ্ৰাজত ক্ৰমান্বয়ে আন দুটা প্ৰেচিডেন্সি বেংক স্থাপন কৰা হৈছিল।

(গ) **যৌথ মূলধনী কোম্পানী আইন, ১৮৫০** ঃ ভাৰতত যৌথ মূলধনী কোম্পানী আইন,

১৮৫০ হৈছে দেশৰ প্ৰথম আইন প্ৰণয়ন যিয়ে নিগম খণ্ডক বেংকিং ব্যৱসায় আৰম্ভণি কৰিবলৈ অনুমতি দিছিল।

(ঘ) **স্বদেশী আন্দোলন, ১৯০৫** ঃ স্বদেশী আন্দোলনৰ আগমনৰ পিছত বৃহৎ সংখ্যক বেংক স্থাপিত হৈছিল।

(ঙ) **ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া** ঃ ১৯২১ চনত তিনিটা প্ৰেচিডেন্সি বেংক অৰ্থাৎ বেংক অফ্ বেংগল, বেংক অফ্ বোম্বাই আৰু বেংক অফ্ মাদ্ৰাজ একত্ৰিত কৰা হৈছিল আৰু ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আইন, ১৯২০-ৰ অধীনত 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া' নামৰ এটা বেংক গঠন কৰা হৈছিল।

(চ) **ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া** ঃ ১৯৩৪ চনৰ ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া আইনৰ অধীনত ১৯৩৫ চনৰ এপ্ৰিলত 'ৰিজাৰ্ভ বেংক অফ্ ইণ্ডিয়া' ভাৰতৰ কেন্দ্ৰীয় বেংক হিচাপে প্ৰতিষ্ঠিত হৈছিল।

৩। **স্বাধীনোত্তৰ কাল** ঃ স্বাধীনতাৰ পিছৰ সময়ছোৱাত ভাৰতীয় বেংকিং ব্যৱস্থাত ব্যাপক বিকাশ হৈছে—

(ক) **ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাষ্ট্ৰীয়কৰণ** ঃ ভাৰতীয় ৰিজাৰ্ভ বেংক (ৰাজহুৱা মালিকীস্বত্বলৈ স্থানান্তৰ) আইন, ১৯৪৮-ৰ অধীনত ১ জানুৱাৰী, ১৯৪৯ তাৰিখে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল।

(খ) **বেঙ্কিং কোম্পানী আইন, ১৯৪৯** ঃ ভাৰতত বেংকিং ব্যৱসায়ৰ সন্তুলিত বিকাশৰ বাবে, বেংকিং কোম্পানী আইন ১৯৪৯ চনত গৃহীত হৈছিল। ১৯৬৬ চনত, আইনখন বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ হিচাপে পুনৰ নামাকৰণ কৰা হৈছিল।

(গ) **ভাৰতীয় ষ্টেট বেংক গঠন** ঃ ১৯২১ চনত স্থাপিত ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়াক ১৯৫৫ চনত ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু ষ্টেট বেংক অফ্ ইণ্ডিয়া হিচাপে নামাকৰণ কৰা হৈছিল। ১৯৫৯ চনত, ভাৰতীয় ষ্টেট বেংকে ইয়াৰ সহায়ক কোম্পানী হিচাপে আঠটা মুখ্য ৰাজ্যিক মালিকানাধীন বেংক অধিগ্ৰহণ কৰিছিল।

(ঘ) **সামাজিক নিয়ন্ত্ৰণ** ঃ বেংক ঋণৰ অধিক ন্যায়সঙ্গত আৰু উদ্দেশ্যপূৰ্ণ বিতৰণৰ বাবে চৰকাৰে ১৯৬৮ চনত সামাজিক নিয়ন্ত্ৰণ আঁচনি আৰম্ভ কৰিছিল।

(ঙ) **বাণিজ্যিক বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণ** ঃ ১৯৬৯ চনত ১৪ টা মুখ্য বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ পিছত ইয়াৰ এক ডাঙৰ গাঁথনিগত পৰিৱৰ্তন ঘটিছে। ১৯৮০ চনত চৰকাৰে আৰু ৬টা বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰিছিল।

(চ) **আঞ্চলিক গ্ৰাম্য বেংক স্থাপন** ঃ ১৯৭৫ চনত গ্ৰাম্য আৰু কৃষি খণ্ডৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব দিবলৈ 'আঞ্চলিক গ্ৰাম্য বেংক' নামেৰে জনাজাত এটা নতুন শ্ৰেণীৰ বেংক স্থাপন কৰা হৈছিল।

(ছ) **ব্যক্তিগত খণ্ডৰ বেংকসমূহক অনুজ্ঞাপত্ৰ** ঃ নৰসিংহম সমিতিৰ পৰামৰ্শৰ প্ৰতি লক্ষ্য ৰাখি আৰু অধিক প্ৰতিযোগিতা প্ৰৱৰ্তন কৰা আৰু বেংকিং ব্যৱস্থাৰ লাভজনকতা আৰু দক্ষতা উন্নত কৰাৰ বাবে, ৰিজাৰ্ভ বেংকক উদাৰীকৰণ প্ৰক্ৰিয়াৰ অংশ হিচাপে ব্যক্তিগত খণ্ডৰ বেংকসমূহক অনুজ্ঞাপত্ৰ জাৰি কৰাৰ ক্ষমতা দিয়া হৈছে।

(জ) **বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান** ঃ বেংকিং খণ্ডৰ এই উন্নয়নবোৰৰ উপৰিও বিশেষ বিত্তীয় প্ৰয়োজনীয়তা পূৰণৰ বাবে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল। সেইবোৰৰ ভিতৰত আছে— IDBI, ICICI, SIDC, SIDBI, IRBI, NABARD, LDB, EXIM Bank, ECGC, NHB, DFHIL, LICI, GICI, UTI ইত্যাদি।

- **প্ৰেচিডেন্সি বেংকসমূহ—**

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত আধুনিক বেংকিঙৰ ভেঁটি স্থাপন কৰিছিল। উনবিংশ শতিকাৰ প্ৰথমাৰ্ধত নিম্নলিখিত তিনিটা বেংক স্থাপন কৰা হৈছিল—

(ক) ১৮০৯ চনত বেংক অফ্ বেংগল

(খ) ১৮৪০ চনত বেংক অফ্ বোম্বাই

(গ) ১৮৪৩ চনত বেংক অফ্ মাদ্ৰাজ

এই তিনিটা বেংকক 'প্ৰেচিডেন্সি বেংক' বুলি জনা যায়।

- **ইম্পেৰিয়েল বেংক—**

ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া আইন, ১৯২০ ৰ অধীনত ভাৰতৰ তিনিটা প্ৰেচিডেন্সি বেংক একত্ৰিত কৰি ১৯২১ চনত 'ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া' প্ৰতিষ্ঠা কৰা হৈছিল। তিনিটা প্ৰেচিডেন্সি

বেংক আছিল বেংক অফ্ বেংগল (১৮০৯), বেংক অফ্ বোম্বাই (১৮৪০) আৰু বেংক অফ্ মাদ্রাজ (১৮৪৩)।

‘ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া’ মুখ্যতঃ ব্যক্তিগত অংশীদাৰসকলৰ মালিকাধীন এটা বাণিজ্যিক বেংক আছিল। কিন্তু ই একে সময়তে কেন্দ্ৰীয় বেংকৰ কিছুমান কাম সম্পাদন কৰি আছিল যেনে— চৰকাৰৰ বেংকাৰ, বেংকসমূহৰ বেংক, ৰাষ্ট্ৰীয় পৰিশোধ ভৰন ইত্যাদি। ইয়াক নোট জাৰী কৰাৰ বা বিদেশী ব্যৱসায়ত জড়িত হোৱাৰ ক্ষমতা দিয়া হোৱা নাছিল।

- **ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়া/ভাৰতীয় ষ্টেট বেংকৰ ৰাষ্ট্ৰীয়কৰণ—**

সৰ্বভাৰতীয় গ্ৰাম্য ঋণ জৰীপ সমিতিৰ পৰামৰ্শ অনুসৰি ইম্পেৰিয়েল বেংকক ১৯৫৫ চনত ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল আৰু ভাৰতীয় ষ্টেট বেংক হিচাপে পুনৰ নামাকৰণ কৰা হৈছিল।

**ইম্পেৰিয়েল বেংকক ৰাষ্ট্ৰীয়কৰণ কৰাৰ মূল কাৰণসমূহ তলত উল্লেখ কৰা হ'ল—**

১। ইতিমধ্যে অৰ্ধ-চৰকাৰী বেংক হিচাপে কাম কৰি আছিল।

২। চৰকাৰলৈ লাভ স্থানান্তৰ।

৩। কৃষি আৰু গ্ৰাম্য উন্নয়নৰ প্ৰসাৰ।

৪ চৰকাৰৰ মুদ্ৰানীতি ৰূপায়ণ।

- **ভাৰতীয় ষ্টেট বেংক—**

১৯৫৫ চনৰ ভাৰতীয় ষ্টেট বেংক আইনৰ অধীনত গ্ৰাম্য আৰু অৰ্ধ-নগৰ অঞ্চলত বেংকিং সেৱাৰ সম্প্ৰসাৰণৰ সুবিধা প্ৰদান কৰাৰ মুখ্য উদ্দেশ্যৰে ইম্পেৰিয়েল বেংক অফ্ ইণ্ডিয়াৰ সম্পত্তি আৰু দেনা অধিগ্ৰহণ কৰি ১৯৫৫ চনৰ ১ জুলাইত ভাৰতীয় ষ্টেট বেংক গঠন কৰা হৈছিল।

ভাৰতীয় ষ্টেট বেংক ইয়াৰ সহায়ক বেংকবোৰৰ সৈতে একেলগে (‘ষ্টেট বেংক গ্ৰুপ’ বুলি জনাজাত) শাখাৰ সংখ্যা, সম্পদ আৰু মানৱ সম্পদৰ ক্ষেত্ৰত ভাৰতৰ সৰ্ববৃহৎ বাণিজ্যিক বেংক।

- **ভাৰতীয় ষ্টেট বেংকৰ সহযোগী বেংক—**

১৯৫৯ চনৰ ভাৰতীয় ষ্টেট বেংক (সহযোগী বেংক) আইনৰ অধীনত আঠখন ৰাজশাসিত ৰাজ্যৰ আঠটা সহযোগী বেংকক ভাৰতীয় ষ্টেট বেংকে অধিগ্ৰহণ কৰিছিল। ভাৰতীয় ষ্টেট বেংকৰ সহযোগী বা

সহায়ক বেংকবোৰ আছিল—

১। ষ্টেট বেংক অফ্ বিকানেৰ*

২। ষ্টেট বেংক অফ্ হায়দৰাবাদ।

৩। ষ্টেট বেংক অফ্ ইন্দোৰ।

৪। ষ্টেট বেংক অফ্ জয়পুৰ*

৫। ষ্টেট বেংক অফ্ মহীশুৰ।

৬। ষ্টেট বেংক অফ্ পাটিয়ালা।

৭। ষ্টেট বেংক অফ্ সৌৰাষ্ট্ৰ।

৮। ষ্টেট বেংক অফ্ ট্ৰেভাঙ্কৰ।

(* ১৯৬৪ চনত এই বেংক দুটা 'ষ্টেট বেংক অফ্ বিকানেৰ আৰু জয়পুৰ' হিচাপে একত্ৰিকৰণ কৰা হৈছিল।)

- **ভাৰতীয় ষ্টেট বেংকৰ কাৰ্যকলাপ—**

ভাৰতীয় ষ্টেট বেংকৰ কামবোৰ দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে— কেন্দ্ৰীয় বেংকিং কাৰ্য আৰু সাধাৰণ বেংকিং কাৰ্য।

- **কেন্দ্ৰীয় বেঙ্কিং কাৰ্য**—

১। চৰকাৰৰ বেংকাৰ হিচাপে

২। বেংকৰ বেংক হিচাপে

৩। মুদ্ৰাৰ চন্দুক/কোষ

৪। পৰিশোধ ভৰন হিচাপে

৫। প্ৰৱৰ্তনমূলক কাৰ্য সম্পাদন।

- **সাধাৰণ বেংকিং কাৰ্যসমূহ ঃ** ভাৰতীয় ষ্টেট বেংক আইনৰ ধাৰা ৩৩ৰ অধীনত ভাৰতীয় ষ্টেট বেংকে নিম্নলিখিত সাধাৰণ বেংকিং কাৰ্যবোৰ সম্পাদন কৰে—

১। চলিত, সঞ্চয়, স্থায়ী আৰু অন্যান্য জমা হিচাবৰ অধীনত ৰাইজৰ পৰা জমা গ্ৰহণ কৰা।

২। ষ্টক, প্ৰতিভূতি আদিৰ সুৰক্ষাৰ ওপৰত ধন আগবঢ়োৱা আৰু ঋণ দিয়া।

৩। বিনিময় বিল আৰু অন্যান্য হস্তান্তৰযোগ্য দলীলৰ প্ৰস্তুত, গ্ৰহণ, বাট্টাকৰণ, ক্ৰয় আৰু বিক্ৰী।

৪। নিৰ্দিষ্ট প্ৰকাৰৰ প্ৰতিভূতিত পুঁজি বিনিয়োগ কৰা।

৫। ঋণপত্ৰ জাৰী কৰা আৰু প্ৰচলন কৰা।

৬। প্ৰশাসক, মৃতকৰ উইলৰ সম্পত্তি তদাৰক কৰোতা (Executor), ন্যাসৰক্ষী (Trustee) বা অন্য প্ৰকাৰে কাম কৰা।

৭। পাওনা নিষ্পত্তিৰ ফলত বেংকৰ হাতলৈ অহা স্থাৱৰ বা অস্থাৱৰ সম্পত্তি বিক্ৰী আৰু আদায় কৰা।

৮। সোণ আৰু ৰূপ ক্ৰয় আৰু বিক্ৰী।

৯। সদাগৰী (Merchant) বেংকিং সুবিধা প্ৰদান কৰে।

১০। লীজ বিত্ত (লীজিং ফাইনেন্স) আৰু প্ৰকল্প বিত্তৰ সুবিধা আদি প্ৰদান কৰে।

- **অনুসূচীত আৰু অনা-অনুসূচীত বেংক ঃ**

**অনুসূচীত বেংক** (Scheduled Banks) ঃ

যিবোৰ বাণিজ্যিক বেংক ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪ৰ দ্বিতীয় অনুসূচীত অন্তৰ্ভুক্ত হয়, সেই বেংকবোৰক অনুসূচীত বেংক বুলি কোৱা হয়।

**অনা-অনুসূচীত বেংক** (Non-Scheduled Bank) ঃ

যিবোৰ বাণিজ্যিক বেংক ভাৰতীয় ৰিজাৰ্ভ বেংক আইন, ১৯৩৪-ৰ দ্বিতীয় অনুসূচীত অন্তৰ্ভুক্ত নহয়, সেই বেংকবোৰক অনা-অনুসূচীত বেংক বুলি কোৱা হয়।

- **ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বেংকসমূহ—**

মালিকীস্বত্ব আৰু নিয়ন্ত্ৰণৰ দিশৰ পৰা দুই প্ৰকাৰৰ বাণিজ্যিক বেংক আছে। সেইবোৰ হৈছে—

**ব্যক্তিগত খণ্ডৰ বেংক ঃ**

ব্যক্তিগত উদ্যোগৰ দ্বাৰা অৰ্থাৎ ব্যক্তি আৰু কোম্পানীৰ দ্বাৰা মালিকানাধীন, পৰিচালিত আৰু

নিয়ন্ত্ৰণ কৰা বেংকবোৰ ব্যক্তিগত খণ্ডৰ বেংক বা ব্যক্তিগত বেংক বুলি জনা যায়। এই বেংকবোৰ অনুসূচীত বা অনা-অনুসূচীত বেংক হ'ব পাৰে। ভাৰতত HDFC Bank, Axis Bank, ICICI Bank, IDBI Bank আদি হৈছে ব্যক্তিগত খণ্ডৰ বেংকৰ উদাহৰণ।

**ৰাজহুৱা খণ্ডৰ বেংকসমূহ ঃ**

চৰকাৰৰ দ্বাৰা মালিকানাধীন, পৰিচালিত আৰু নিয়ন্ত্ৰিত বেংকবোৰক ৰাজহুৱা খণ্ডৰ বেংক বা ৰাজহুৱা বেংক বুলি জনা যায়। ভাৰতত সকলো ৰাজহুৱা খণ্ডৰ বেংক হৈছে অনুসূচীত বেংক। ৰাজহুৱা খণ্ডৰ বেংকবোৰৰ উদাহৰণ হৈছে ভাৰতীয় ষ্টেট বেংক, ইউনিয়ন বেংক অফ্ ইণ্ডিয়া, চেণ্ট্ৰেল বেংক অফ্ ইণ্ডিয়া, দেনা বেংক ইত্যাদি।

——